*Total Printed Pages - 6* *1019/2025-26*

***Subject Code-C3*** **D25/7-GS(AS)**

# Half-Yearly Examination, 2025-26

## Class : VII

## Subject : General Science

**Full Marks : 100** **Time : 3 Hrs.**

## SECTION - A

**শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখা ঃ (প্ৰশ্ন নং 1ৰ পৰা প্ৰশ্ন নং 40 লৈকে) -** 1x40=40

1. তলৰ কোনটো সহজীৱী উদ্ভিদৰ উদাহৰণ —
(a) আকাশীলতা। (b) লাইকেন। (c) বেং ছতা। (d) ৰাফ্লেছিয়া।

2. সালোক সংশ্লেষণ প্ৰক্ৰিয়াত নিৰ্গত হোৱা গেছটো —
(a) কাৰ্বনডাই অক্সাইড। (b) অক্সিজেন।
(c) মিথেন। (d) নাইট্ৰ'জেন।

3. পত্ৰহৰিতৰ বৰণ —
(a) ৰঙ্গুৱা। (b) সেউজীয়া। (c) মটীয়া। (d) ক'লা।

4. পাচনৰ পাছত সৰল দ্ৰৱণীয় খাদ্যবোৰ তেজত শোষিত হোৱা প্ৰক্ৰিয়াটো হ'ল —
(a) ভক্ষণ (b) পাচন। (c) স্বাংগীকৰণ। (d) অৱশোষণ।

5. পাচন নলীৰ আটাইতকৈ দীঘল অংশটো হ'ল —
(a) গ্ৰসণী। (b) গ্ৰাসনলী। (c) ক্ষুদ্ৰান্ত্ৰ (d) বৃহদান্ত্ৰ।

6. পিত্তাশয় শৰীৰৰ কোনটো পাচক গ্ৰন্থিত থাকে ?
(a) পাকস্থলী (b) যকৃৎ। (c) অগ্নাশয়। (d) অন্ত্ৰ।

7. ৰোমন্থক প্ৰাণীৰ পাকস্থলীত কেইটা কোঠালি থাকে ?
(a) 2 টা (b) 1 টা (c) 3 টা। (d) 4 টা।

8. পাকস্থলী ৰসত থকা এছিড বিধ হ'ল —
(a) হাইড্ৰ'ক্লৰিক। (b) ছালফিউৰিক
(c) নাইট্ৰিক (d) এছেটিক।

9. কঠোৰ পৰিশ্ৰমৰ সময়ত শ্বাস-প্ৰশ্বাসৰ হাৰ —

(a) 30-60 প্ৰতি মিনিট।
(b) 20-40 প্ৰতি মিনিট।
(c) 15-25 প্ৰতি মিনিট।
(d) 40-50 প্ৰতি মিনিট।

10. মাখিয়ে কোনটো অংগ ব্যৱহাৰ কৰি শ্বাস-প্ৰশ্বাস লয় ?

(a) হাওঁফাওঁ। (b) ছাল। (c) ফুল। (d) বায়ুছিদ্ৰ।

11. তলৰ কোনটো অংগ শ্বাস-প্ৰশ্বাসৰ লগত জড়িত নহয় ?

(a) জলক্লোম। (b) কূটপদ। (c) ছাল। (d) পত্ৰৰন্ধ্ৰ।

12. শ্বসনত কোনটো গেছ নিৰ্গত হয় ?

(a) অক্সিজেন।
(b) কাৰ্বনডাই অক্সাইড।
(c) হাইড্ৰ'জেন।
(d) নাইট্ৰ'জেন।

13. মানুহৰ পৰিবহণতন্ত্ৰৰ প্ৰধান উপাদান হ'ল —

(a) দুটা। (b) তিনিটা। (c) চাৰিটা। (d) পাঁচটা।

14. কোনটো সঁজুলিৰ সহায়ত হৃদস্পন্দনৰ শব্দ শুনা যায় ?

(a) এনেম'মিটাৰ। (b) ৰেইনগজ। (c) বে'ৰমিটাৰ। (d) ষ্টেথ'স্ক'প।

15. তলৰ কোনটো নাইট্ৰ'জেন জাতীয় দ্ৰব্য নহয় ?

(a) এম'নিয়া। (b) ইউৰিয়া। (c) শৰ্কৰা। (d) ইউৰিক এছিড।

16. প্ৰস্বেদন কোনবিধ অংগৰ দ্বাৰা সম্পাদন হয় ?

(a) শিপা। (b) ফুল। (c) পাত। (d) জাইলেম।

17. মুকুলন প্ৰক্ৰিয়াটো সম্পন্ন হয় —

(a) বেক্টেৰিয়াত। (b) শেলাইত। (c) ভেঁকুৰত। (d) ইষ্টত।

18. অংগজ প্ৰজনন প্ৰক্ৰিয়াৰে বংশ বৃদ্ধি কৰা এটা জীৱৰ উদাহৰণ হ'ল —

(a) শেলাই। (b) ভেঁকুৰ। (c) মচ (d) আদা।

19. সপুষ্পক উদ্ভিদৰ প্ৰজনন অংগ হ'ল —

(a) পাত। (b) শিপা। (c) ফুল। (d) ডাল।

20. ফুলৰ কি অংশৰ পৰা ফলৰ সৃষ্টি হয় ?

(a) বৃত্তি। (b) গৰ্ভমূণ্ড। (c) পৰাগধানী। (d) গৰ্ভাশয়।

21. পাটপলুৱে কি গছৰ পাত খায় ?

(a) নুনি গছৰ। (b) এৰাগছৰ। (c) শালগছৰ। (d) চোম গছৰ।

22. এণ্‌থ্ৰাক্স ৰোগৰ বীজাণুৰ নাম হ'ল —

(a) প্লাজম'ডিয়াম। (b) ডিব্ৰিঅ'ক'লেৰি।

(c) বেছিলাছ এণ্‌থ্ৰাচিছ্‌। (d) এটাও নহয়।

23. আঁহ উলিয়াবলৈ লেটাবোৰ কেনেকুৱা পানীত উতলায় ?

(a) এছিডযুক্ত পানী। (b) ক্ষাৰযুক্ত পানী।

(c) কুঁৱাৰ পানী। (d) বিশুদ্ধ পানী।

24. আমাৰ দেহৰ সাধাৰণ উষ্ণতা হ'ল —

(a) $37^0$C (b) $100^0$C (c) $32^0$F (d) $98^0$F

25. থাৰ্মমিটাৰত ব্যৱহাৰ কৰা জুলীয়া পদাৰ্থবিধ হ'ল —

(a) ক'পাৰ। (b) মাৰ্কিউৰি। (c) ব্ৰ'মিণ। (d) আয়'ডিণ।

26. তলৰ কোনবিধ পদাৰ্থ তাপৰ কুপৰিবাহী ?

(a) আইৰণ। (b) কাঠ। (c) এলুমিনিয়াম। (d) ক'পাৰ।

27. ধাতুৰ মাজেৰে তাপৰ স্থানান্তৰ ঘটে। এই স্থানান্তৰণ প্ৰক্ৰিয়াটো হ'ল —

(a) পৰিবহণ। (b) পৰিচলন। (c) বিকিৰণ। (d) এটাও নহয়।

28. উষ্ণতা জোখা সঁজুলিবিধৰ নাম কি ?

(a) বেৰ'মিটাৰ। (b) এনেম'মিটাৰ।

(c) হাইগ্ৰ'মিটাৰ। (d) থাৰ্মমিটাৰ।

29. তলৰ কোনটো ভৌতিক পৰিবৰ্তন নহয় ?

(a) আইৰণৰ পৰা দা গঢ়োৱা। (b) চেনি পানীত দ্ৰৱীভূত কৰা।

(c) বৰফ গলে। (d) খাদ্য হজম হোৱা।

30. কপাৰ ছালফেটৰ বৰণ হ'ল—

(a) মূগা। (b) নীলা। (c) কলা। (d) সেউজীয়া।

31. খোৱা ছ'ডাৰ ৰাসায়নিক নাম হ'ল —

(a) ছ'ডিয়াম হাইড্ৰ'জেন কাৰ্বনেট।
(b) কপাৰ ছালফেট।
(c) ফেৰাছ ছালফেট।
(d) কেলছিয়াম

32. ভৌতিক আৰু ৰাসায়নিক পৰিৱৰ্তন একেলগে ঘটিব যদি —

(a) মমবাতি জ্বলোৱা হয়।
(b) বৰফ গলে।
(c) পানী বাষ্পীভূত হয়।
(d) মেগনেছিয়াম জ্বলোৱা হয়।

33. ভাৰতৰ ক্ৰান্তীয় বৰ্ষাৰণ্য থকা ঠাই হ'ল —

(a) উত্তৰ-পূৰ ভাৰত। (b) ৰাজস্থান। (c) মধ্যপ্ৰদেশ। (d) ঝাৰখণ্ড।

34. মেৰু অঞ্চলত বাস কৰা এবিধ জীৱৰ উদাহৰণ —

(a) অষ্ট্ৰিক চৰাই। (b) পেংগুইন। (c) উট। (d) হাতী।

35. ৰাজস্থানৰ জলবায়ু —

(a) গৰম আৰু শুকান।
(b) গৰম আৰু সেমেকা।
(c) ঠাণ্ডা আৰু সেমেকা।
(d) ঠাণ্ডা আৰু শুকান।

36. বতৰ পৰিৱৰ্তনৰ প্ৰধান কাৰক হ'ল —

(a) ৰ'দ। (b) বতাহ। (c) বৰষুণ। (d) সূৰ্য।

37. সাগৰ-মহাসাগৰত থকা পানীৰ শতকৰা পৰিমাণ হ'ল —

(a) 97% (b) 70% (c) 3% (d) 30%

38. পৃষ্ঠজলক কেইটা ভাগত ভগাব পাৰি ?

(a) দুটা। (b) তিনিটা। (c) চাৰিটা। (d) পাঁচটা।

39. ভূ-জলস্তৰ অৱনমনৰ কাৰণ হ'ল —

(a) বনাঞ্চল ধ্বংসকৰণ।
(b) বৰ্দ্ধিত জনসংখ্যা।
(c) কৃষিকাৰ্য।
(d) ওপৰৰ আটাইকেইটা।

40. পানী সংৰক্ষণৰ এটা পদ্ধতি হ'ল —

(a) বৰষুণৰ পানী সংৰক্ষণ। (b) বনাঞ্চল ধ্বংসকৰণ।

(c) কৃষিকাৰ্য। (d) বৰ্ধিত জনসংখ্যা।

## SECTION - B

41. তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ লিখা ঃ- 2x10=20

(a) পাতক গছৰ ৰান্ধনি ঘৰ বুলি কিয় কোৱা হয় ?

(b) অন্তঃকোষীয় পাচণ কাক বোলে ?

(c) সবাত শ্বসন আৰু অবাত শ্বসনৰ মাজত দুটা পাৰ্থক্য লিখা ।

(d) মানুহৰ ৰেচনতন্ত্ৰটো কি কি অংগৰে গঠিত ? আমাৰ প্ৰধান ৰেচনতন্ত্ৰটো কি ?

(e) ফুলৰ নিষেচন বুলিলে কি বুজা ?

(f) উণ আঁহ পাব পৰা চাৰিবিধ জন্তুৰ নাম লিখা ।

(g) উষ্ণতা বুলিলে কি বুজা ? উষ্ণতা জোখা এবিধ স্কেলৰ নাম লিখা।

(h) জিংকলেপন কাক বোলে ? জিংকলেপন কিয় কৰা হয় ?

(i) ক্ৰান্তীয় বৰ্ষাৰণ্য থকা দুখন দেশৰ নাম লিখা ।

(j) ভূ-জলস্তৰ অৱক্ষয় হোৱাৰ দুটা কাৰণ লিখা।

42. পৰজীৱি হিচাপে আকাশীলতা উদ্ভিদৰ বিষয়ে লিখা। 2

43. মানুহৰ উশাহ-নিশাহ লোৱা পদ্ধতিটো ব্যাখ্যা কৰা। 3

44. জাবকালি ৰাতি লেপ লৈ শুলে ঠাণ্ডা নালাগে। ইয়াৰ কাৰণ ব্যাখ্যা কৰা । 3

45. মেৰু অঞ্চলত থকা প্ৰাণীবোৰে কেনেদৰে অভিযোজন কৰে ? 3

46. পানী সংৰক্ষণৰ পদ্ধতিবোৰ লিখা। 3

47. মানুহৰ ছেদক আৰু কৃন্তক দাঁতৰ কাৰ্য লিখা। 2

48. মানুহৰ হৃদযন্ত্ৰৰ চিত্ৰ আঁকি ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে চমুকৈ লিখা। 2+2=4

# SECTION - C

## মহান বিজ্ঞানীৰ চানেকি জীৱনৰ

49. অণুপ্ৰভ পদাৰ্থ কি ? 1

50. 'ইউৱট' কি ? 1

51. কিমান চনত আৰু ক'ত ৰাদাৰফ'র্ডৰ জন্ম হয় ? 1

52. দুবিধ তেজস্ক্ৰিয় পদাৰ্থৰ নাম লিখা । 1

53. ১৯১৫ চনত আইনষ্টাইনে উদ্ভাৱণে কৰা তত্ত্বটো কি ? 1

54. কিমান চনত ৰাদাৰফ'র্ডক ছাৰ উপাধি দিয়া হয় ? 1

55. ৰাদাৰফ'র্ডৰ পৰমাণু আৰ্হিটো লিখা। 2

56. ১৯০৫ চনত আইনষ্টাইনে জাৰ্মানি আলোচনীত প্ৰকাশ কৰা নিবন্ধ তিনিটাৰ নাম লিখা। 2

57. "আভ্যন্তৰীণ মূল্যায়ন" অথবা "প্ৰকল্প" ঃ- (ইতিমধ্যে সম্পন্ন হৈছে) — 10

----xxxx----